অধ্যায় ৭ ঃ অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ জনজাতি — সাধাৰণ পৰিচয়
৭.৪ অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান
৭.৪.১ ধর্ম
৭.৪.২ উৎসৱ-পার্বন আৰু লোকসাহিত্য
৭.৪.৩ খাদ্যাভ্যাস
৭.৪.৪ সাজপাৰ
৭.৪.৫ মাতৃতন্ত্রমূলীয় সামাজিক পদ্ধতি
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্রগতিৰ খতিয়ান
৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জনজাতি আৰু জনগোষ্ঠীৰ সংজ্ঞা তথা শব্দ দুটাই সামৰা বিষয়ৰ আভাস পাব
- অসমৰ অনুসূচীত জনজাতিসমূহৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- অসমীয়া সংস্কৃতিত জনজাতীয় উপাদানৰ বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয়

ইতিমধ্যে আমি আগৰ অধ্যায় কেইটাত সংস্কৃতি মানে কি, তাৰ বৈশিষ্ট্য, উপাদান আদিৰ লগতে 'অসমীয়া' পদটোৰ সৃষ্টি আৰু তাৰ ধাৰণাৰ বিষয়েও কিছু কথা অধ্যয়ন কৰিলোঁ। তাৰ আধাৰত অসমীয়া সংস্কৃতিৰ সম্যক পৰিচয়ো লাভ কৰিলোঁ। অসমীয়া সংস্কৃতি যে সমন্বয়ৰ আৰু সমাহৰণৰ সংস্কৃতি সেয়াও আমি অধ্যয়ন কৰিলোঁ। তদুপৰি অসমীয়া সংস্কৃতিত সত্র আৰু নামঘৰৰ অৱদান সম্পর্কেও জ্ঞাত হ'লোঁ। লগতে সত্রীয়া পৰিৱেশ্য কলাৰ অন্তর্গত বিভিন্ন দিশ সম্পর্কে বহলাই অধ্যয়ন কৰিলোঁ। এই অধ্যায়টোত আমি অসমীয়া সংস্কৃতিত জনজাতীসকলৰ উপাদান সম্পর্কে অধ্যয়ন কৰিম।

অসমীয়া সংস্কৃতিত জনজাতীয় উপাদানৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে আমি

'জনজাতি' শব্দটোৰ বিষয়ে এটা স্পষ্ট ধাৰণা কৰি ল'ব লাগিব। তাৰ আধাৰত হে আমি অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান সম্পৰ্কে অনুধাৱন কৰিব পাৰিম। আপুনি এই অধ্যায়টো বুজি পাবৰ বাবে অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু অসমীয়া সংস্কৃতিৰ কথাখিনিও বিবেচনা কৰিব লাগিব। ইতিমধ্যে সেই বিষয়ে আলোচনা কৰি আহিছোঁ বাবে ইয়াত আৰু পুনৰ আলোচনা কৰা নহ'ল। তলত অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল।

৭.৩ জনজাতি ঃ সাধাৰণ পৰিচয়

সাধাৰণতে 'জনজাতি' শব্দই একোটা নৃগোষ্ঠী/জনগোষ্ঠীকে বুজায়। জনগোষ্ঠী (Ethnic Group) বুলিলে বুজা যায় — এখন বৃহত্তৰ সমাজৰ জনসংখ্যাৰ মাজৰ একোটা সামাজিক গোট বা ভাগ। এই ভাগবোৰ গঠন হয় প্ৰজাতি, ভাষা, জাতীয়তা বা সংস্কৃতিৰ উমৈহতীয়া বন্ধনৰ ভিত্তিত। *Encyclopedia Brittannica* মতে — "A Social group or category of the population that in a large society is set apart and found together by common ties of race, language, nationality or culture." নৃতত্ত্বই এনে নৃগোষ্ঠী বা জনগোষ্ঠীৰ মাজৰে কিছুমান বিশেষ জনগোষ্ঠীক জনজাতি (Tribe) ৰূপে পৃথক কৰিছে। প্ৰধানতঃ বস্তু সংস্কৃতিৰ ফালৰ পৰা পিছপৰা, শ্ৰমৰ বিশেষীকৰণ নোহোৱা, নিজৰ মাজতে সীমিত অৰ্থনৈতিক আৰু ৰাজহুৱা জীৱন, গোষ্ঠীবন্ধন তথা আদিম ধৰণৰ জীৱন ধাৰণ আদি জনজাতিৰ বৈশিষ্ট্য। কিন্তু সাম্প্ৰতিক বিশ্বত নৃতত্ত্ববিদসকলে নিৰূপণ কৰা আটাইবোৰ বৈশিষ্ট্য অটুট থকা জনজাতি তেনেই সীমিত। উন্নত জনগোষ্ঠী/জাতিৰ সংস্পৰ্শ, চৰকাৰী আঁচনি, আধুনিক শিক্ষা আৰু সভ্যতাৰ সংস্পৰ্শৰ ফলত 'জনজাতি'সমূহৰ মাজতে বহু স্তৰ সৃষ্টি হৈছে।

সি যি কি নহওক, আপুনি নিশ্চয় জানে যে, নৃ-তত্ত্বৰ এই জনজাতি বৈশিষ্ট্যৰ উপৰি ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাত কিছুমান জনগোষ্ঠীক 'অনুসূচীত জনজাতি' (Schedule Tribe) ৰূপে চিহ্নিত কৰি তেওঁলোকৰ উন্নয়নৰ বাবে বিভিন্ন সা-সুবিধা আৰু ব্যৱস্থা গ্ৰহণ কৰি আহিছে। গতিকে ভাৰতবৰ্ষৰ ক্ষেত্ৰত সাধাৰণতে 'জনজাতি' বুলিলে সংবিধানস্বীকৃত 'অনূসূচীত জনজাতি'সমূহকেহে বুজা যায়।

২০১১ চনৰ লোকপিয়লৰ তথ্য মতে অসমৰ ২৩ টা জনগোষ্ঠী অনুসূচীত জনজাতিৰ অন্তৰ্ভুক্ত; কিন্তু 'জনজাতি মন্ত্ৰণালয়, ভাৰত চৰকাৰ'ৰ মতে বৰ্তমান অসমৰ ২৯ টা জনগোষ্ঠী অনুসূচীত জনজাতি হিচাপে তালিকাভুক্ত হৈছে। এই জনজাতিসমূহ হ'ল —

- **পাহাৰীয়া জনজাতি —**
  - চাকমা
  - ডিমাচা, কছাৰী
  - গাৰো
  - হাজং

- মাৰ
- খাছি, জয়ন্তীয়া, ছিনটেং, প্লাৰ, ৰাৰ, ভই আৰু লিংগাম
- সকলো কুকি জনজাতি
- লাখেৰ
- মান (তাইভাষী)
- সকলো মিজো (লুচাই) জনজাতি
- কার্বি
- সকলো নগা জনজাতি
- পাৱি
- ছিনঠেং
- লালুং

- **ভৈয়ামৰ জনজাতি —**
  - বর্মন
  - বড়ো, বড়ো-কছাৰী
  - দেউৰী
  - হোজাই
  - কছাৰী, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী
  - লালুং
  - মেচ
  - মিৰি (মিছিং)
  - ৰাভা
  - হাজং
  - চিংফৌ
  - ডিমাচা
  - খাম্‌টি
  - গাৰো।

২০১১ বর্ষৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা (৩১,২০৫, ৫৭৬ জন)-ৰ ১২.৪ শতাংশ অর্থাৎ ৩,৮৮৪, ৩৭১ জন অনুসূচীত জনজাতি।

অসমৰ জনজাতিসমূহ মূলত মংগোলীয় প্রজাতিৰ অন্তর্গত। ভাষিকভাৱে এওঁলোকৰ একাংশ অসমীয়া ভাষী আৰু বেছিভাগেই তিব্বত-বর্মী বড়োমূলীয়া ভাষা-ভাষী। কিন্তু বড়োমূলীয়া ভাষা-ভাষীৰো সৰহভাগ দ্বিভাষী; অসমীয়া ভাষা তেওঁলোকৰ দ্বিতীয় ভাষা।



জানি থোৱা ভাল

অসমৰ মৰাণ, মটক, টাই-আহোম, কোচ-ৰাজবংশী, চুতীয়া আৰু চাহ জনগোষ্ঠীক বৰ্তমানলৈকে সাংবিধানিকভাৱে অনুসূচীত জনজাতিৰ মর্যাদা দিয়া হোৱা নাই। প্রসংগক্রমে মন কৰিবলগীয়া যে, 'অনুসূচীত জনজাতি'ৰ ব্যৱস্থাটো স্বৰাজোত্তৰ কালৰ হে সৃষ্টি। কিন্তু সমন্বিত অসমীয়া সংস্কৃতি নির্মাণৰ প্রক্রিয়া বহু প্রাচীন। গতিকে অসমীয়া সংস্কৃতিত জনজাতীয় উপাদানৰ বিষয়ে আলোচনা কৰোঁতে এইসকল জনগোষ্ঠীক এৰাই চলিব নোৱাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সাধাৰণতে 'জনজাতি' শব্দই কি অর্থ নিৰূপণ কৰে?

.....

প্রশ্ন নং ২ ঃ 'জনজাতি মন্ত্রণালয়, ভাৰত চৰকাৰ'ৰ মতে বর্তমান অসমৰ কিমানটা জনগোষ্ঠী অনুসূচীত জনজাতি হিচাপে তালিকাভুক্ত হৈছে?

.....

৭.৪ অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান

এই পাঠ্যবিষয়ৰে পূর্বৱর্তী অধ্যায়ত অসমৰ/অসমীয়া সংস্কৃতি সম্পর্কে কৰা আলোচনাৰ পৰা এটা কথা স্পষ্ট হৈছে নিশ্চয় যে 'অসমীয়া সংস্কৃতি'ৰ ধাৰণাটো অবাচীন হ'লেও বহুযুগীয়া ঐতিহাসিক প্রক্রিয়াৰে এই সাংস্কৃতিক সত্তাটো নির্মাণ হৈছে। অসমীয়া সংস্কৃতিক আমি Great Tradition বুলিলে এই সাংস্কৃতিক সত্তাটোৰ মাজত সোমাই থকা ক্ষুদ্র গোষ্ঠীগত সংস্কৃতি বা জাত/সম্প্রদায়গত সংস্কৃতিবোৰক Little Tradition বুলি ক'ব পাৰি। সেয়ে মৰাণৰ 'ধর্মচৰি', সোণোৱাল কছাৰীৰ 'লখিমী তোল সবাহ', তিৱাসকলৰ 'জোনবিল উৎসৱ' আৰু 'মেলা উৎসৱ', সোণোৱাল কছাৰীৰ 'গোহাই' উলিওৱা উৎসৱ, ৰাজবংশীসকলৰ 'কালি পূজা' আদিবোৰ বহল অর্থত অসমীয়া সংস্কৃতিৰে অংগ; একেসময়তে এইবোৰ সেই সেই জনগোষ্ঠীৰ স্বকীয় পৰিচয়দায়ক সাংস্কৃতিক সম্পদ। এই উৎসৱ বা সামাজিক লোকাচাৰবোৰত ব্যৱহৃত গীত-মাতবোৰৰ ভাষা অসমীয়া ভাষাৰে নৃ-গোষ্ঠীয় উপভাষা। সেয়ে এইবোৰ অসমীয়া লোকসাহিত্যৰো সম্পদ। কিন্তু বড়োসকলৰ 'খেৰাই পূজা', মিছিংসকলৰ 'আলি-আই-লৃগাং' আদি উৎসৱৰ গীত-মাতৰ, মন্ত্রৰ ভাষা বড়ো বা মিছিং ভাষা; এই উৎসৱবোৰ অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ বুলি ক'বলৈ অসুবিধা — যদিহে সেই উৎসৱ পালন কৰোঁতা জনগোষ্ঠীয় লোকসকলে নিজকে 'অসমীয়া জাতি'ৰ অন্তর্গত বুলি বিবেচনা নকৰে।

গতিকে অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান দুটা স্পষ্ট দিশত ভাগ কৰিব পাৰি— ক) সংশ্লেষিত ৰূপত খ) স্বতন্ত্র গোষ্ঠীয় পৰিচয় ৰূপত।

কোনো জনগোষ্ঠীয়/জনজাতীয় সংস্কৃতিক উপাদান আর্য হিন্দু সংস্কৃতিৰ ৰূপৰ লগত সংশ্লেষিত হৈ নতুন ৰূপ পাইছে। এইবোৰ সংশ্লেষিত ৰূপ। যেনে — অসমীয়া বিহু, ৰিহা-মেখেলা, অসমীয়া ভাষাত নিহিত জনগোষ্ঠীয় উপাদানবোৰ মাতৃপ্রধান ব্যৱস্থাৰ পৰা অহা সামাজিক লোকাচাৰ আদি। আনহাতে, নিজকে অসমীয়া জাতিৰ অংগ বুলি পৰিচয় দিয়া জনজাতিসকলৰ নিজস্ব সাংস্কৃতিক ৰূপবোৰ (খ) ভাগৰ অন্তর্গত কৰিব পাৰি।

৭.৪.১ ধর্ম

ধর্মীয় দিশেৰে অসমীয়া মানুহক মূলতঃ চাৰিটা ভাগত ভগাব পাৰি — (ক) হিন্দু, (খ) ইছলাম, (গ) বৌদ্ধ আৰু (ঘ) খ্রীষ্টান।

ইয়াৰ ভিতৰত হিন্দু ধর্মাৱলম্বীসকলৰ সংখ্যাই লেখত ল'বলগীয়া। সামাজিক সাংস্কৃতিক আৰু অর্থনৈতিক দিশৰ পৰাও হিন্দু ভাগেই প্রভাৱী। কাৰণ অসমীয়া সংস্কৃতি সম্পর্কে কৰা আলোচনাত নিশ্চয় আপুনি মন কৰিছে যে, অসমীয়া জাতিসত্তাৰ বুনিয়াদী ৰূপটো হিন্দুধর্ম আৰু আর্যমূলীয়া সংস্কৃতিৰ ওপৰতে প্রতিষ্ঠিত। হিন্দুসকলৰ প্রধান ভাগ দুটা — ক) শাক্ত খ) বৈষ্ণৱ। শৈৱধাৰাটো শাক্ত ধাৰাৰ পৰা পৃথক নহয়।

এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে জনজাতীয় ধর্ম (Tribal Religion)-ক, যাক জড়বাদ (Animism) বুলি কোৱা হয় বহল অর্থত হিন্দু ধর্মই বুলিব পাৰি। এই সম্পর্কে G. S. Ghurye ই তেওঁৰ *The Scheduled Tribes* নামৰ গ্রন্থখনত কৈছে— "The tribal religion is a backward form of Hindu religion."

শাক্ত আৰু বৈষ্ণৱ ধাৰাত জনজাতীয় সংস্কৃতিৰ প্রভাৱ লক্ষণীয়। ইয়াৰ ভিতৰত শাক্তধর্মত এই প্রভাৱ অতি গভীৰ। অসমৰ প্রখ্যাত হিন্দু দেৱী 'কামাখ্যা' মূলতঃ খাছী বা গাৰোৰ দৰে কোনো মাতৃপ্রধান দেৱী বুলি বাণীকান্ত কাকতীয়ে মত পোষণ কৰিছে। কামাখ্যা মন্দিৰ আদিতে কোনো জনজাতীয় দেৱীৰ উপাসনা স্থান আছিল। সংস্কৃতায়ন প্রক্রিয়াৰ মাজেদি কামাখ্যাৰ দৰেই তাম্রেশ্বৰী মন্দিৰ, মালিনীথান, মহামায়া থান আদি জনজাতীয় উপাসনা স্থান আৰু দেৱীবোৰ হিন্দু দেৱীলৈ ৰূপান্তৰ হৈছে। শাক্তধর্ম পদ্ধতিগতভাৱে তান্ত্রিক ধর্ম। 'তন্ত্র' মূলতঃ জনজাতীয় সমাজৰ সাংস্কৃতিক উপাদান। N.S. Dasgupta-ই কৈছে যে তন্ত্রবাদৰ মূল বৌদ্ধধর্মও নহয়, হিন্দুধর্মও নহয়; ই হ'ল ভাৰতৰ ধর্মৰ বুৰঞ্জীত অতি প্রাচীন কালৰ পৰা স্বাধীনৰূপত প্রবাহিত ধর্মীয় অন্তস্রোত। অসমৰ হিন্দুধর্মৰ দুখন অতি বিখ্যাত শাক্তগ্রন্থ *কালিকা পুৰাণ* আৰু *যোগিনীতন্ত্রও* তন্ত্রগ্রন্থই। আর্যীকৰণ বা সংস্কৃতায়ন প্রক্রিয়াৰ মাজেৰেই জনজাতীয় আদিম উর্ৰৰাশক্তি

সিংহবাহিনী দশভুজা দুর্গাৰ ৰূপলৈ বিকাশ হৈছে। আজি দুর্গাপূজা জনজাতি-অজনজাতি সকলো অসমীয়া মানুহেৰে (শাক্তপন্থী/আনকি বহু বৈষ্ণৱেও দুর্গাপূজা কৰে) উমৈহতীয়া উৎসৱ।

শংকৰদেৱৰ আন্দোলনৰ আগলৈকে বিষ্ণুপূজাও মূলতঃ তন্ত্ৰ মতেই কৰা হৈছিল। মহেশ্বৰ নেওগে কামৰূপৰ বিষ্ণুপূজাৰ আদিস্তৰটোক Tantric Vaisnavism বুলিয়েই আলোচনা কৰিছে। *কালিকা পুৰাণ* আৰু *যোগিনীতন্ত্ৰ*তো বিষ্ণু-বন্দনা পৰ্যাপ্ত পৰিমাণে আছে। এই দুখন গ্ৰন্থৰ বিষ্ণু-প্ৰসংগ জনসাধাৰণৰ মাজত প্ৰচলিত পৰম্পৰাগত জনজাতীয় ধৰ্ম (বা লোকায়ত ধৰ্ম)-ৰ ওপৰত নতুনকৈ আৰ্য-হিন্দুসকলে পৰিচিত কৰা ভাগৱত ধৰ্মৰ প্ৰভাৱতে সৃষ্টি হোৱা তান্ত্ৰিক ভাগৱত ধৰ্মই বুলিব পাৰি। শংকৰদেৱে অসমত বৈষ্ণৱ ধৰ্মৰ সংস্কাৰ জাগৰণ আৰম্ভ কৰিছিল যদিও শংকৰদেৱ প্ৰচাৰিত নৱ-বৈষ্ণৱবাদৰ মাজতো যাদুবিদ্যাৰ উপাদান ৰৈ গৈছিল মূলতঃ জনজাতীয় প্ৰভাৱৰ বাবেই। যাদু (magic) তন্ত্ৰ জনজাতীয় ধৰ্মৰ এটা প্ৰধান উপাদান।



জানি থোৱা ভাল

তন্ত্ৰ আৰু যাদুৰ লগত জনজাতীয় ধৰ্মৰ সম্বন্ধৰ বাবে আপোনালোকে দুখন গ্ৰন্থ নিতান্তই পঢ়া উচিত। সেই দুখন গ্ৰন্থ হ'ল— James Frezer-ৰ *The Golden Bough : Study of Magic and Religion* আৰু দেৱীপ্ৰসাদ চট্টোপাধ্যায়ৰ *লোকায়ত দৰ্শন*।

শংকৰী সাহিত্যৰ প্ৰহ্লাদ, বিপ্ৰ দামোদৰ, অজামিল আদি চৰিত্ৰৰ মুক্তিৰ মাজত যাদুধৰ্মীতা লক্ষণীয়। 'অনাদি পাতন'ত তান্ত্ৰিক মাৰ্গৰ ষড়চক্ৰবাদৰ বিৱৰণ পোৱা যায়।

শংকৰদেৱৰ ভক্তি ধৰ্মই সৃষ্টি কৰা সাংস্কৃতিক সংৰূপবোৰৰ বিভিন্ন দিশৰ পৰা জনজাতীয় উপাদান নিহিত থকাৰ কাৰণ হ'ল — ব্যাপকহাৰত জনজাতীয় লোকে এই ধৰ্ম গ্ৰহণ কৰিছিল। নামঘৰৰ গণতান্ত্ৰিক আদৰ্শ, স্থাপত্য আৰ্হি আৰু ধৰ্মীয় অনুষংগৰ লগত জনজাতীয় সমূহীয়া উপসনা স্থলী আৰু ডেকাচাঙৰ সাদৃশ্য আছে। গনেশ চন্দ্ৰ শৰ্মা ঠাকুৰে *Selected Essays of Tribes and Caste of Assam (Part I)*-ত কৈছে যে দেউৰীসকলৰ থানঘৰ আৰু তিৰাসকলৰ বৰঘৰে নিশ্চয় শংকৰদেৱক নামঘৰৰ ধাৰণা মনলৈ অনাত সহায় কৰিছিল। লীলা গগৈয়ে ক'ব খোজে যে বৈষ্ণৱ পৰম্পৰাগত আশীৰ্বাদ দিয়া ৰীতি (অ' হৰি, অ' ৰাম) জনজাতীয় (মংগোলীয়) আদৰ্শসম্ভূত। অসমীয়া সমাজৰ ভূত-প্ৰেত, বীৰা, পিশাচ আদি জনজাতীয় উপাদানৰ পৰাই অহা বুলিব পাৰি।

৭.৪.২ উৎসৱ পাৰ্বন আৰু লোকসাহিত্য

অসমীয়া মানুহে বাৰটা মাহত ভালেমান উৎসৱ পালন কৰে। ইয়াৰে বেছিভাগ

কৃষিমূলক বা ঋতুকালীন। তদুপৰি পঞ্জিকা আশ্রয়ী উৎসৱ আৰু সংস্কাৰমূলক উৎসৱ কিছুমানো পালন কৰে।

কৃষিৰ প্রাচুর্য, পৃথিৱীৰ প্রজনন শক্তি বৃদ্ধি, নতুন বছৰৰ আদৰণি আদি উদ্দেশ্য পালন কৰা উৎসৱবোৰেই কৃষিমূলক বা ঋতুকালীন উৎসৱ। ব'হাগ বিহু এনে উৎসৱৰ এটা উদাহৰণ। অসমৰ সকলো নৃগোষ্ঠীয়েই বসন্ত কালত বিভিন্ন নামেৰে (বিচু, বৈচাগু, বাইখু আদি) সমধর্মী উৎসৱ পালন কৰে। প্রমোদ চন্দ্র ভট্টাচার্যই কৈছে — "অসমৰ বিহু উৎসৱৰ মূল অনুপ্রেৰণাত বৈদিক যা-যজ্ঞৰ দূৰণীয়া প্রভাৱ থাকিলেও বিহুৰ পান-ভোজন, বিহুৱান, ঘৰুৱা মদ, তামোল-পানৰ ব্যৱহাৰ, নৃত্য-গীত, টকা, পেঁপা, গগণা, কৰতাল, বাঁহী, ঢোল আদি বাজনাৰ প্রয়োজন; বিহুৰ সময়ত সমূহীয়া মাছমৰা, পহুচিকাৰ আদিত জনজাতীয় প্রভাৱ সুস্পষ্ট।" গৰু বিহু বৈদিক ধাৰণাপ্রসূত। প্রাচীন আর্যসকলে গৰুক মাতৃজ্ঞান কৰিছিল — গোমাতা। কিন্তু মাহ-হালধি, লাও-বেঙেনা-থেকেৰা আদি দি গা ধুওৱা পদ্ধতিটো অসমৰ মংগোলীয় জনজাতিসকলৰ বৰঙণি বুলি ভাবিব পাৰি। বিহু উৎসৱত ডেকা-গাভৰুৰ অবাধ মিলন আৰু যৌৱনোচ্ছল যৌনতামূলক গীতমাতৰ পয়োভৰৰ বাবে এসময়ত বর্ণহিন্দু অসমীয়া মধ্যশ্রেণীয়ে বিহুক ঘৃণা আৰু অবজ্ঞাৰ দৃষ্টিৰে চাইছিল। কিন্তু বিহু আজি অসমৰ জাতীয় উৎসৱ ৰূপে পৰিগণিত হৈছে।

বৃক্ষপূজাকেন্দ্রিক ভালেমান উৎসৱ অসমীয়া মানুহে উলহ-মালহেৰে পালন কৰে। যেনে— কামৰূপ নলবাৰী অঞ্চলৰ ভঠেলি, দৰঙৰ দেউল উৎসৱ, দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ কোনো কোনো অঞ্চলত পালন কৰা সুঁৱৰি আদি। এই বৃক্ষ পূজা মূলতঃ জনজাতীয় লোকাচাৰ — "Tree worship is commonly practiced by caste Hindus, no doubt is a tribal custom"। এই উৎসৱ বিলাকত ব্যাপক হাৰত নৱ-বৈষ্ণৱ ভক্তিধর্মৰ প্রভাৱ পৰি এতিয়া অজনজাতীয় আৰু জনজাতীয় লোকৰ আদৰৰ অনুষ্ঠান ৰূপে বিকাশ হৈছে। এইবোৰৰ উপৰি আইসবাহ, লখিমী সবাহ, তুলসী পূজা আদিৰ লগত জড়িত দেৱীবোৰৰ ধাৰণাত আর্য-অনার্য সংস্কৃতিৰ সংমিশ্রণ ঘটিছে।

অসমীয়া সংস্কৃতি লোকসাহিত্য আৰু লোকসংগীতত অত্যন্ত চহকী। এই লোকসাহিত্যবোৰৰ মাজত জনজাতীয় লোককথা এনেদৰে সোমাই আছে যে, সেইবোৰ বাচি উলিওৱাটো জটিল। অসমৰ জনজাতিসমূহৰ মাজত প্রচলিত সাধুকথাবোৰ সামান্য ইফাল-সিফাল ৰূপত অসমীয়া ভাষাৰ সাধুবোৰৰ সৈতে মিল আছে। সাংস্কৃতিক সমন্বয়, সমাহৰণৰ ফলতে এই সাধুবোৰ কেতিয়াবা অজনজাতি সমাজৰ মাজত প্রচলিত হৈছে আৰু কেতিয়াবা জনজাতীয় সমাজলৈ বিয়পি গৈছে। অসমীয়া সমাজত প্রচলিত মন্ত্রবোৰৰ জনজাতীয় উপাদান আছে। সোণোৱাল কছাৰী সমাজত প্রচলিত লখিমী সবাহৰ গীত, তিৱাসকলৰ বৰত উছবৰ গীত, শৰণীয়া কছাৰীৰ গোহাঁই উলিওৱা উৎসৱত গোৱা গীত-মাত, কোচ-ৰাজবংশীসকলৰ কাতিপূজাৰ গীত আদিবোৰ অসমীয়া লোকসাহিত্যলৈ সেই সেই জনগোষ্ঠীৰ মূল্যৱান অৱদান। মন কৰিবলগীয়া যে,

লোকউৎসৱবোৰৰ লগত অবিচ্ছেদ্যভাৱে লোকগীত, মন্ত্র, নাম আদি জড়িত থাকে। দেউৰী বিহু, মৰাণসকলৰ ধর্ম হুচৰি আদিয়ে যিদৰে অসমীয়া জাতীয় উৎসৱ বিহুক বৈচিত্র্যময় ঐশ্বর্য প্রদান কৰিছে, একেদৰে এই উৎসৱৰ গীত-মাত বোৰে অসমীয়া লোকসাহিত্যকো সমৃদ্ধ কৰিছে। সঞ্জীৱ কুমাৰ বৰকাকতীয়ে বৰগীতৰ সুৰৰ লগত তিৱাসকলৰ লালী-হিলালী গীতৰ সুৰৰ সাদৃশ্য মন কৰিছে। গোলাপ মহন্তৰ মতে মহাপুৰুষীয়া পৰম্পৰাৰ নাম প্রসংগৰ সুৰত জনজাতীয় গীতৰ সুৰৰ সাদৃশ্য আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমীয়া সংস্কৃতিত জনজাতীয় উপাদানসমূহক কি কি ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি?

.....

প্রশ্ন নং ৪ ঃ নামঘৰৰ গণতান্ত্রিক আদর্শ, স্থাপত্য আৰ্হি আৰু ধর্মীয় অনুষংগৰ লগত জনজাতীয় কি কি দিশৰ সাদৃশ্য আছে?

.....

প্রশ্ন নং ৫ ঃ সঞ্জীৱ কুমাৰ বৰকাকতীয়ে বৰগীতৰ সুৰৰ লগত কিহৰ মিল আছে বুলি মন্তব্য কৰিছে?

.....

৭.৪.৩ খাদ্যাভ্যাস

জনজাতিসমূহৰ গভীৰ প্রভাৱৰ বাবে অসমৰ বর্ণহিন্দুসকলৰ খাদ্যাভ্যাসৰ ক্ষেত্রত ভাৰতৰ অন্য অংশৰ পৰা পার্থক্য লক্ষণীয়। ভাৰতৰ ব্রাহ্মণ বা উচ্চবর্ণৰ হিন্দুৱে, প্রধানকৈ বৈষ্ণৱে মাছ-মাংস নাখায়। কিন্তু অসমৰ ব্রাহ্মণ আৰু উচ্চবর্ণৰ বৈষ্ণৱেও মাছ-মাংস খায়। অসমৰ জনজাতিসকলে আমৰলি পৰুৱাৰ টোপ, গাহৰিৰ মাংস, ঘৰুৱা মদ, জিলী, উঁই-চিৰিঙা, কুচিয়া, সিজোৱা মাছ, কুকুৰাৰ মাংস, শালমাছ, বাঁহ গাজ, পলু আদি খাদ্য ৰূপে গ্রহণ কৰে। জনজাতিলোকৰ সুদীর্ঘকালীন সংস্পর্শৰ ফলত অজনজাতি বর্ণহিন্দু অসমীয়া মানুহৰ খাদ্যৰীতি এই অনুক্রমে সলনি হৈ পৰিল। বাঁহগাজ, কুকুৰা মাংস অসমীয়া মানুহৰ নিয়মিত খাদ্য তালিকাত সোমাই পৰাৰ উপৰি গাহৰিও বহু বর্ণহিন্দু লোকে খাদ্য হিচাপে গ্রহণ কৰে।

তামোল-পান অসমীয়া সমাজলৈ জনজাতি (মংগোলীয়/অষ্ট্রিক)সকলৰ বৰঙণি। ভাৰতৰ আন ঠাইত তামোল-পানৰ ব্যৱহাৰ নাই (কেঁচা তামোল বা মাটিত পুতি থৈ পচোৱা তামোল)। অসমীয়া সংস্কৃতিও বিয়া-বাৰু আদি অনুষ্ঠানৰ উপৰি ধর্মীয় (বৈষ্ণৱ পৰম্পৰাতো) অনুষংগটো তামোল-পানৰ গুৰুত্ব অত্যন্ত গভীৰ। (মৰাণ মটকসকলৰ মাজত এই গুৰুত্ব মন কৰিবলগীয়া।)

৭.৪.৪ সাজপাৰ

অসমৰ তিৰোতাই চাদৰ-মেখেলা পৰিধান কৰে (আধুনিক সাজ-পোচাকৰ কথা এই প্রসংগলৈ অনা হোৱা নাই)। কিন্তু সর্বভাৰতীয় নাৰীৰ পৰম্পৰাগত সাজ এখনীয়াহে। অসমৰ জনজাতীয় নাৰীৰ পৰম্পৰাগত সাজ হিচাপে মেখেলা আৰু বুকু ঢাকি দুই বাহুত পেলাই লোৱা দুখনীয়া কাপোৰ দেখা যায়। মেখেলাখন বুকুত (মেথনি) বান্ধি লয়। গতিকে অসমীয়া নাৰীৰ দুখনীয়া কাপোৰ জনজাতীয় সাজৰ পৰা বিৱর্তন হোৱা বুলিও কোনোৱে ভাবে। নাহেন্দ্র পাদুনে তেওঁৰ *অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি* পুথিখনত এই মত পোষণ কৰিছে।

এড়ি আৰু পাট-মুগা মংগোলীয় সংস্কৃতিৰ অৱদান। সম্প্রতি অসমৰ পাট-মুগা বিশ্ববিখ্যাত। প্রাচীন কালত অসমৰ মাজেৰেই চীনৰ পাট-মুগা বিভিন্ন ঠাইলৈ ৰপ্তানি হৈছিল। অসমৰ জনজাতিসমূহৰ প্রায়ভাগেই যে চীনৰ পৰা প্রাগ্-ঐতিহাসিক কালতে অসমলৈ নামিছিল সেই বিষয়ে আপুনি নিশ্চয় জ্ঞাত।

শিপিনী হিচাপে অসমৰ তিৰোতাৰ বিশেষ সুনাম আছে। জনজাতিসকলৰ মাজত কঁকালৰ মেৰাই লৈ বোৱা তাঁতৰো প্রচলন আছে। কাপোৰত বিভিন্ন ফুলৰ চানেকি বঁচাত অসমীয়া তিৰোতা অতিকে নিপুন। হস্ত তাঁত শিল্পৰ ক্ষেত্রত, বিভিন্ন ফুলৰ আর্হিৰ ক্ষেত্রত অসমীয়া সংস্কৃতি জনজাতিসকলৰ ওচৰত ঋণী বুলিবই লাগিব। আজিকালি মিছিং জনগোষ্ঠীৰ বৰণীয়া ফুল বচা কাপোৰৰ চানেকিয়ে অসমীয়া সমাজত ব্যাপক সমাদৰ লাভ কৰিছে।

৭.৪.৫ মাতৃতন্ত্রমূলীয় সামাজিক পদ্ধতি

অসমীয়া সমাজত তিৰোতাৰ স্থান ভাৰতীয় বর্ণহিন্দু সমাজৰ তুলনাত মর্যদাজনক। ইয়াৰ মূলতে জনজাতীয় প্রভাৱ। জনজাতি সমাজত তিৰোতাই যথেষ্ট স্বাধীনতা ভোগ কৰিব পাৰে। কাৰণ সেই সমাজত তিৰোতা গৰাকীয়েই কৃষিকর্মৰ হোতা, ঘৰুৱা কাম, সন্তান পালনৰ প্রধান কর্তা। তদুপৰি জনজাতি সমাজত তিৰোতাসকলৰ কিছুমান গোষ্ঠীয় সংগঠন থাকে, এই সংগঠনবোৰে জনগোষ্ঠীটোৰ মাজত যথেষ্ট মান্যতা পায়। যেনে — ৰাভাসকলৰ এটা গোত্রৰ তিৰোতাক লৈ এটা 'মাহাৰী' হয়। মাহাৰীৰ অনুমতি অবিহনে কোনো পত্নীহাৰা পুৰুষে দ্বিতীয়া পত্নী গ্রহণ কৰিব নোৱাৰে। নাৰীৰ অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্রত মাহাৰীৰ হস্তক্ষেপক সমাজে সহযোগিতা কৰে।

বঙালী তিৰোতাৰ লগত অসমীয়া তিৰোতা ৰিজায় চালে দেখা যায় — বঙালী তিৰোতাতকৈ অসমীয়া তিৰোতা বেছি কর্মঠ আৰু স্বাধীন। অসমীয়া তিৰোতাই কৃষিকর্মৰ প্রায় সকলো কামেই পুৰুষৰ সমানে সমানে কৰে, বঙালী তিৰোতাই পথাৰ দেখাই নাপায়। অসমত বাল্য বিবাহৰ প্রচলন নাই। প্রাচীন কালত মন্দিৰত দেৱগণিকা আছিল

যদিও সেই ব্যৱস্থা ব্রাহ্মণ্য ব্যৱস্থা দৃঢ় হোৱাৰ ফলহে। অসমীয়া বিবাহিত নাৰী 'মাকৰ ঘৰলৈ যায়', বঙালী তিৰোতা কিন্তু 'বাপের বারী'লৈ যায়।

জনজাতিসকলৰ প্রভাৱতে অসমীয়া সমাজত জাত-পাত, অস্পৃশ্যতাৰ প্রভাৱ বৰ দৃঢ় নহয়। উচ্চ বর্ণৰ মাজত এই ভাব দৃঢ় যদিও সাধাৰণ মানুহৰ মাজত ই বৰ শিথিল। ইয়াৰ মূলতে জনজাতি সমাজ ব্যৱস্থা বুলি পণ্ডিতসকলে ক'ব খোজে।

বিবাহযোগ্যা কন্যাক পলুৱাই নি বিবাহ কৰোৱাটো জনজাতীয় সমাজৰ এটা স্বীকৃত নিয়ম। অসমীয়া সমাজৰ 'বুঢ়া বিয়া' জনজাতীয় সমাজৰ প্রভাৱ বুলিব পাৰি। তদুপৰি দৰাক বাটত হেঙাৰ দি টকা-পইচা বা তামোল পানৰ শৰাই লৈ আশীৰ্বাদ দিয়াৰ প্রথা — এইবোৰ আৰ্যভিন্ন জনজাতীয় সমাজৰ পৰা অহা ৰীতি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ অসমীয়া সংস্কৃতিৰ এৰাব নোৱৰা অংগ এড়ি আৰু পাট-মুগাৰ ব্যৱহাৰ কোন সংস্কৃতিৰ পৰা অহা ?

.....

প্রশ্ন নং ৭ ঃ 'মাহাৰী' মানে কি বুজে ? চমুকৈ লিখক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন নং ৮ ঃ সাম্প্রতিক সময়ৰ অসমীয়া ভাষাৰ ব্যৱহাৰ হোৱা জনজাতীয় ভাষাৰ পৰা অহা ধাতু কেইটামান উল্লেখ কৰক।

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন জনগোটৰ সাংস্কৃতিক উপাদানেৰে অসমীয়া জাতি গঠন হৈছে। অসমীয়া জাতিসত্তালৈ জনজাতীয় সংস্কৃতিৰ বৰঙণিৰে বৈচিত্র্যময় আৰু বৈভৱপূর্ণ অসমীয়া সংস্কৃতিৰ ৰূপ নির্মাণ হৈছে। অসমীয়া সংস্কৃতিক সেয়ে আমি যৌগিক সংস্কৃতি বুলিব পাৰোঁ।

- অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান কেবাটাও স্তৰত আলোচনা কৰিব পাৰি। কিছুমান জনজাতীয় সংস্কৃতিৰ উপাদান ঐতিহাসিক প্ৰক্ৰিয়াৰ মাজেৰে অসমীয়া সংস্কৃতিত বিলীন হৈ পৰিছে। এইবোৰ এতিয়া অসমীয়া সংস্কাৰৰ মূলধাৰাৰ মাজৰ পৰা জনজাতীয় সংস্কৃতি হিচাপে বাচি উলিয়াব নোৱাৰি। কিছুমান জনজাতীয় সংস্কৃতি জনজাতীয় স্বকীয়তাৰে অসমীয়া সংস্কৃতিৰো উমৈহতীয়া উপাদান হৈ পৰিছে। খাদ্য, গ্ৰাম্য সমাজ শৃংখলা, ভূত-প্ৰেত-পিশাচ, মন্ত্ৰ আদিৰ ধাৰণা বিশ্বাস আদিৰ এই স্তৰত পেলাব পাৰি। অন্যহাতে, যিবোৰ জনগোষ্ঠীক অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ বুলি ধৰিব পাৰি, সেইবোৰ জনগোষ্ঠীৰ স্বকীয় বহল অৰ্থত অসমীয়া সংস্কৃতিৰ উপাদান।
- এই অধ্যায়ত আপোনালোকে অসমীয়া সংস্কৃতিৰ ধৰ্ম, সাজপাৰ, উৎসৱ-পাৰ্বন, খাদ্য, সামাজিক ব্যৱস্থা, ভাষা-সাহিত্য আদি বিভিন্ন দিশত জনজাতীয় উপাদানৰ বিষয়ে জানিব পাৰিলে। ইয়াৰ আৰ্হিতে ৰন্ধন, গৃহনিৰ্মাণ, লোকসাহিত্য, স্থাপত্য, কুটিৰশিল্প আদি অন্যান্য দিশত জনজাতীয় উপাদান অনুসন্ধান কৰিব পাৰিব।



৭.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কাগ্‌য়ুং, ভৃগুমুনি (সম্পা.) (১৯৭০); *মিচিং সংস্কৃতিৰ আলেখ্য;* গুৱাহাটী।

২) গোস্বামী, উপেন্দ্ৰনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ*; গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৩) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি*; ডিব্ৰুগড় ঃ বনলতা।

৪) গগৈ, হীৰেন (২০০৪); *অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত;* অসম প্ৰকাশন ন্যাস।

৫) গোস্বামী, প্ৰফুল্ল দত্ত (১৯৮৬); *অসমীয়া জন সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৬) চলিহা, সদানন্দ (১৯৯১); 'অসমৰ জনগোষ্ঠীত মঙ্গোলীয় উপাদান'; গোস্বামী, প্ৰকাশ আৰু চৌধুৰী, সতীশ চন্দ্ৰ (সম্পাঃ)ৰ *বুৰঞ্জীৰ প্ৰকৃতি আৰু স্বৰূপ* (পৃ. ৫০-৫৬); যোৰহাট ঃ অসম সাহিত্য সভা।

৭) দাস, ভুবন মোহন (২০০৫); 'জনগোষ্ঠীত প্ৰজাতীয় উপাদান'; অসম সাহিত্য সভাৰ *অসমীয়া জাতিৰ ইতিহাস* (পৃ. ৯-৩০); যোৰহাট ঃ অসম সাহিত্য সভা।

৮) নার্জি, ভবেন (১৯৭৩); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী।

৯) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী।

১০) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১১) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পা.) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

১২) পাদুন, নাহেন্দ্র (১৯৯৩); *অসমীয়া সংস্কৃতিলৈ জনজাতীয় ৰৱঙণি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৩) পেগু, খর্গেশ্বৰ পেগু (২০০০); *অসমৰ জাতি গঠনত মিচিং জনগোষ্ঠী আৰু নৈপৰীয়া মিচিং সমাজ;* ধেমাজি ঃ ধেমাজি বুকষ্টল।

১৪) ৰৱদলৈ, নির্মলপ্রভা (১৯৭৩); *অসমৰ লোকসংস্কৃতি;* গুৱহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৫) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী।

১৬) বৰা, দিলীপ (২০০৮); *সমাজ সাহিত্য আৰু সংহতি;* গুৱাহাটী ঃ ভৱানী অফছেট।

১৭) বৰা, ধ্রুৱজ্যোতি (১৯৯৪); *অ' মোৰ সুৰীয়া মাত;* গুৱাহাটী ঃ ষ্টুডেণ্টচ ষ্টৰচ্।

১৮) ভট্টাচার্য, প্রমোদ চন্দ্র (১৯৯১); *লোক উৎসৱ;* নলবাৰী ঃ জার্ণাল এম্পৰিয়াম।

১৯) ভট্টাচার্য, প্রমোদ চন্দ্র (১৯৯৯); *অসমৰ জনজাতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

২০) মহন্ত, প্রফুল্ল (২০০৯); *জনগোষ্ঠীগত চেতনা ঃ আত্মপ্রতিষ্ঠাৰ প্রশ্ন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

২১) ৰাজবংশী, পৰমানন্দ (সম্পাঃ), (২০০১); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ অসমীয়া বিভাগ, প্রাগ্জ্যোতিষ মহাবিদ্যালয়।

২২) শর্মা, গিৰিধৰ (সম্পাঃ) (১৯৯৬); অসমীয়া জাতিৰ ইতিবৃত্ত; গুৱাহাটী ঃ বনলতা।

২৩) শর্মা, দেৱব্রত (২০০৬); *অসমীয়া জাতি গঠন প্রক্রিয়া আৰু জাতীয় জনগোষ্ঠীগত অনুষ্ঠানসমূহ;* যোৰহাট ঃ একলব্য প্রকাশন।

২৪) শর্মা, নবীন চন্দ্র (১৩৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

২৫) শর্মা, নবীনচন্দ্র (২০০০); *ভাৰতৰ উত্তৰ পূর্বাঞ্চলৰ লোক-সংস্কৃতি;* গুৱাহাটী ঃ বাণী প্রকাশ।

২৬) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

২৭) হাকাচাম, উপেন ৰাভা (২০০০); *অসমীয়া আৰু অসমৰ তিৱৰত বর্মীয় ভাষা;* গোৱালপাৰা।

২৮) হাজৰিকা, বিশ্বেশ্বৰ (২০০১); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

বাংলা গ্রন্থ ঃ

২৯) চট্টোপাধ্যায়, দেবীপ্রসাদ (১৪১৩ বঙ্গাব্দ); *লোকয়ত দর্শন;* কলকাতা।

ইংৰাজী গ্ৰন্থ ঃ

৩০) Barua, I. & et. al. (ed) (2002). *Ethnic groups Cultmal Continuities and Social Change in North-East India.* Delhi: Mittal Publication.

৩১) Bordoloi, B. N. & et. al. (1987). *Tribes of Assam. Part I & II.* Guwahati: Tribal Research Institute, Assam.

৩২) Datta, B.N. & et. al. (1994). A Hand book of Folklore Material of North-East India. Guwahati: ABILAC.

৩৩) Erazer, J. (1993). *The Golden Bough: A Study in Magic and Religion*. London.

৩৪) Sarma Thakur, G. C. (2007). *Selected Essays of Tribes and Castes of Assam (Part I).* Guwahati: Tribal Research Institute, Assam.

৭.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণতে 'জনজাতি' শব্দই একোটা নৃগোষ্ঠী/জনগোষ্ঠীকে বুজায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ২৯ টা জনগোষ্ঠী অনুসূচীত জনজাতি হিচাপে তালিকাভুক্ত হৈছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান দুটা স্পষ্ট দিশত ভাগ কৰিব পাৰি— ক) সংশ্লেষিত ৰূপত খ) স্বতন্ত্ৰ গোষ্ঠীয় পৰিচয় ৰূপত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নামঘৰৰ গণতান্ত্ৰিক আদৰ্শ, স্থাপত্য আৰ্হি আৰু ধৰ্মীয় অনুষংগৰ লগত জনজাতীয় সমূহীয়া উপসনা স্থলী আৰু ডেকাচাঙৰ সাদৃশ্য আছে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সঞ্জীৱ কুমাৰ বৰকাকতীয়ে বৰগীতৰ সুৰৰ লগত তিৱাসকলৰ লালী-হিলালী গীতৰ সুৰৰ সাদৃশ্য আছে বুলি মত পোষণ কৰিছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ এড়ি আৰু পাট-মুগাৰ ব্যৱহাৰ মংগোলীয় সংস্কৃতিৰ অৱদান।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাভাসকলৰ এটা গোত্ৰৰ তিৰোতাক লৈ এটা 'মাহাৰী' হয়। মাহাৰীৰ অনুমতি অবিহনে কোনো পত্নীহাৰা পুৰুষে দ্বিতীয়া পত্নী গ্ৰহণ কৰিব নোৱাৰে। নাৰীৰ অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰত মাহাৰীৰ হস্তক্ষেপক সমাজে সহযোগিতা কৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ গৰা মাৰ, খাম বান্ধ, তিৰা, ৰেপ, গছক আদি।



৭.৮ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক —

ক) অসমৰ ভৈয়াম অনুসূচীত অন্তৰ্ভুক্ত জনজাতি কেইটা কি কি?

খ) মুৰংঘৰ কোন জনগোষ্ঠীৰ ডেকাচাং?

গ) বিষ্ণুৰাভাৰ মতে 'ব্ৰহ্মপুত্ৰ' শব্দৰ মূল কি?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাত জনজাতীয় উপাদান — এই শীৰ্ষক এটা টোকা যুগুত কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) অনুসূচীত জনজাতি (খ) অসমৰ জনজাতীয় খাদ্যাভ্যাস

(গ) অসমৰ বসন্ত উৎসৱ (ঘ) মাতৃতান্ত্ৰিক সমাজ ব্যৱস্থা

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষা-সাহিত্যলৈ জনজাতীয় বৰঙণিৰ বিষয়ে এটা প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ 'অসমীয়া জাতি'ৰ পৰিচয় দি অসমীয়া সংস্কৃতিত জনজাতীয় উপাদানৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ 'বিহু' উৎসৱৰ মাজত আৰ্য সংস্কৃতি আৰু মংগোলীয় সংস্কৃতিৰ ৰসায়ন ঘটিছে। কথাষাৰ বিচাৰ কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া গ্ৰাম্য সমাজ জীৱনত মাতৃতান্ত্ৰিক জনজাতীয় সংস্কৃতি প্ৰভাৱ কি দৰে নিহিত আছে আলোচনা কৰক।

*** ***** ***